# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-10-2023

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। ৰাজ্যৰ পাঁচটা খিলঞ্জীয়া মুছলমান সম্প্ৰদায় - গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাৰ আৰ্থ-সামাজিক মূল্যায়নৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

২। পৰীক্ষাত উত্তৰ বহী বেলেগে লিখা আদিত জড়িতসকলক পাঁচ বছৰৰ জে'ল আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমণা বিহাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

৩। দেশ-বিদেশত লাভ কৰা উপহাৰ মুখ্যমন্ত্ৰী, মন্ত্ৰীয়ে চৰকাৰী তোচাখানাত জমা দিব লাাগিব বুলি লাগিব বুলি ৰাজ্য চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

৪। এন এল এফ টি আৰু এ টি টি এফৰ আটাইকেইটা ফৈদক কেন্দ্ৰীয় চৰকাৰৰ বে-আইনী সংগঠন ঘোষণা।

***আৰু***

৫। এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ফাইনেলত আজি লাভলীনা বৰগোহাঁই চীনৰ লী-কিয়ানৰ মুখামুখি।

oooooo

ৰাজ্য চৰকাৰে অসমৰ ৫টা খিলঞ্জীয়া মুছলমান সম্প্ৰদায় গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাৰ সৰ্বাঙ্গীন উন্নয়ন সাধনৰ বাবে আৰ্থ-সামাজিক মূল্যায়ন কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। জনতা ভৱনত মুখ্যমন্ত্ৰীৰ সভাকক্ষত ড° শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ ফলত আৰ্থ সামাজিক সামাজিক মূল্যায়ন সম্পূৰ্ণ হোৱাৰ লগে লগে ৰাজ্য চৰকাৰে এই সম্প্ৰদায় কেইটাৰ আৰ্থ ৰাজনীতিক, শৈক্ষিক, স্বাস্থ্য আদি দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব। ইতিমধ্যে ৰাজ্যিক কেবিনেটে এই মুছলমান সম্প্ৰদায়কেইটাক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদান কৰিছে। আৰ্থ-সামাজিক মূল্যায়নৰ সিদ্ধান্তই এই সম্প্ৰদায়কেইটাৰ স্বাস্থ্য সেৱা, সাংস্কৃতিক পৰিচয়, শিক্ষা, আৰ্থিক অন্তৰ্ভুক্তি, দক্ষতা বিকাশ, মহিলা সৱলীকৰণ আদি বিষয়ৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱাৰ দিশত সহায়ক হৈ উঠিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ সৰ্বাঙ্গীন বিকাশ সুনিশ্চিত কৰাৰ বাবে

সম্প্ৰদায়ৰ বুদ্ধিজিৱী আৰু অগ্ৰণী ব্যক্তিৰ সৈতে আলাপ আলোচনা, ধৰ্মীয় সংখ্যালঘুৰ সৱলীকৰণ শীৰ্ষক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত কৰিছিল। ইয়াৰ পিছত ৰাজ্য চৰকাৰে খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ প্ৰতিনিধিৰে কেইবাখনো উপ-সমিতি গঠন কৰে। এই উপ-সমিতিসমূহে খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ সৈতে জড়িত বিষয় সন্দৰ্ভত আলোচনা কৰি সমস্যা সমাধানৰ বাবে পৰামৰ্শ গ্ৰহণ কৰে। উপ-সমিতিসমূহে পৰৱৰ্তী সময়ত ৰাজ্য চৰকাৰক দাখিল কৰা প্ৰতিবেদনত পাঁচটা খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ জনসাধাৰণক সামৰি বিস্তৃত আৰ্থ-সামাজিক মূল্যায়নৰ পৰামৰ্শ আগবঢ়ায়। এই পৰামৰ্শৰ ভিত্তিতে ৰাজ্য চৰকাৰে কালি আৰ্থ-সামাজিক মূল্যায়নৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

পৰীক্ষাত নকল কৰা আৰু এই কাৰ্যত সহায় কৰাসকলক  তিনি বছৰ কাৰাবাসৰ লগতে ১ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এখন সংবাদমেলত সদৰি কৰে। এই সন্দৰ্ভত যোৱা ২ অক্টোবৰত গান্ধী মণ্ডপত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এখন অধ্যাদেশত অনুমোদন জনোৱা হয়। সেই অনুসৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে নকল প্ৰতিৰোধ আৰু প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ স্থিতিৰ বিষয়ে জানিবলৈ দিছে। মন্ত্ৰীগৰাকীয়ে এ পি এছ চি, টেট আদি যিকোনো নিযুক্তি সম্পৰ্কীয় পৰীক্ষা আৰু মেট্ৰিক, উচ্চতৰ মধ্যমিকৰ চূড়ান্ত পৰীক্ষাকে ধৰি বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা পৰীক্ষাৰ্থীক জেললৈ পঠোৱাৰ উপৰিও জৰিমনা বিহা হ'ব বুলি প্ৰকাশ কৰে। তদুপৰি প্ৰশ্নকাকত ফাদিল কৰা, উত্তৰ বহী বেলেগে লিখা আৰু পৰীক্ষা কেন্দ্ৰৰ বাহিৰত পৰীক্ষা পতা আদি কাৰ্যত জড়িতসকলৰ ৫ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত জেল আৰু ১০ লাখৰ পৰা ১০ কোটি টকা পৰ্যন্ত জৰিমনা হ'ব।

০০০০০০

ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা শেহতীয়া সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা মুখ্যমন্ত্ৰী তথা আন মন্ত্ৰী-বিধায়কে দেশ বা বিদেশৰ পৰা লাভ কৰা কোনো উপহাৰ লগত ৰাখিব নোৱাৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কেবিনেট বৈঠকত লোৱা চৰকাৰৰ এই সিদ্ধান্তৰ কথা সদৰি কৰে। সেই অনুসৰি মুখ্যমন্ত্ৰী তথা মন্ত্ৰী-বিধায়কে লাভ কৰা উপহাৰসমূহ চৰকাৰৰ তোচাখানাত জমা দিব লাগিব। যদিহে উপহাৰৰ মূল্য ২ হাজাৰ টকা বা তাতোকৈ কম হয়, তেন্তে সেই উপহাৰ নিজৰ লগত ৰাখিব পাৰিব। আনহাতে, ২ হাজাৰ টকাতকৈ অধিক মূল্যৰ হ'লে তেনে উপহাৰ তোচাখানাত প্ৰকৃত মূল্য দিহে নিজৰ লগত ৰাখিব পৰিব। তোচাখানাত জমা হোৱা এনে উপহাৰ পৰৱৰ্তী সময়ত নিলাম কৰাৰ লগতে নিলামৰ ধন মুখ্যমন্ত্ৰীৰ সাহায্য নীধিত জমা দিয়া হ'ব। তদুপৰি চৰকাৰী অতিথিসকলক তোচাখানাৰ পৰা উপহাৰ আগবঢ়োৱা হ'ব।

০০০০০০

ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগে আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি চাহ বাগিছা অঞ্চলত মাহজোৰা কাৰ্যসূচীৰ আয়োজন কৰিছে। এই কাৰ্যসূচীৰ অধীনত শোণিতপুৰৰ ৰঙাপৰাৰ ফুলবাৰী চাহ বাগিচাত আজি দিনৰ ১১ বজাত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া অনুষ্ঠানত গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। অনুষ্ঠানত সাংসদ পল্লৱলোচন দাসৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি কুইজ প্ৰতিযোগিতা বাগানৰ পৰম্পৰাগত খেল-ধেমালি

আৰু নৃত্য-গীত, ৰক্তহীনতা চিনাক্তকৰণ শিবিৰ আৰু শিশু, সুৰক্ষা আৰু পৰিপুষ্টি সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০

আয়ুষ্মান ভৱ অভিযানৰ অধীনত প্ৰায় ৬৪ হাজাৰ লোকে নিজৰ অংগ দান কৰাৰ সংকল্প গ্ৰহণ কৰিছে। যোৱা ছেপ্টেম্বৰ মাহত ৰাষ্ট্ৰীয় পৰ্যায়ত এই অভিযান মুকলি কৰা হৈছিল। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ চলা **সেৱা পখৰাড়া** কাৰ্য্যসূচীৰ লগতে এই অভিযান কাৰ্যকৰী কৰা হৈছিল। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী ডাঃ মনসুখ মন্দাভিয়াইও অংগদাতা হিচাপে নিজৰ নাম পঞ্জীয়ন কৰিছে।

শ্ৰীমন্দাভিয়াই কয় যে **আয়ুষ্মান ভৱ** অভিযান যথেষ্ট সফল হৈছে আৰু জনসাধাৰণৰ ইতিবাচক সঁহাৰি লাভ কৰিছে। তেওঁ প্ৰকাশ কৰা মতে প্ৰায় ২ লাখ ৭০ হাজাৰ স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছিল য'ত এক কোটি ৬১ লাখৰো অধিক লোকে অংশগ্ৰহণ কৰি লাভান্বিত হৈছিল। তেওঁ কয় যে এই অভিযানৰ অধীনত প্ৰায় ৬৪ লাখ আয়ুষ্মান কাৰ্ড, জাৰি কৰাৰ লগতে এক কোটিতকৈও অধিক আভা কাৰ্ড কাৰ্যক্ষম কৰি তোলা হয়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা চমুকৈ এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ চমুকৈ এ টি টি এফৰ আটাইকেইটা ফৈদক বেআইনী কাম-কাজ প্ৰতিৰোধী আইনৰ অধীনত বেআইনী সংগঠন বুলি ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সংগঠনকেইটাক ৫ বছৰৰ বাবে নিষিদ্ধ কৰিছে। গৃহ মন্ত্ৰালয়ৰ তৰফৰ পৰা কালি জাৰি কৰা এখন অধিসূচনাত প্ৰকাশ কৰা মতে চৰকাৰে এন এল এফ টি আৰু এ টি টি এফৰ কাম-কাজক ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক আৰু সংগঠন দুটাক বে-আইনী বুলি গণ্য কৰে। সংগঠনকেইটাই চৰকাৰক অৱমাননা কৰি কূটাঘাটমূলক আৰু হিংসাত্মক কাম-কাজত জড়িত হৈ আহিছে আৰু নিজৰ লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে জনসাধাৰণৰ মাজত সন্ত্ৰাস আৰু হিংসাৰ সৃষ্টি কৰি আহিছে। মন্ত্ৰালয়ে লগতে কৈছে যে যদিহে এই সংগঠনকেইটাৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে তেওঁলোকে নিজৰ ৰাষ্ট্ৰদ্ৰোহী, বিচ্ছিন্নতাবাদী আৰু হিংসাত্মক কাৰ্যকলাপ বৃদ্ধিৰ বাবে সদস্যসকলক উত্তেজিত কৰি তুলিব পাৰে। সংগঠনকেইটাই দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক শক্তিসমূহৰ সৈতে লগ লাগি ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপৰ প্ৰসাৰ কৰিব পাৰে বুলিও মন্ত্ৰালয়ে মন্তব্য কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ শিল্পী পেন্সন আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰসহ আবেদন আহ্বান কৰিছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে প্ৰকাশ কৰা জাননী অনুসৰি আজি দিনৰ ১০ বজাৰ পৰা অনলাইনযোগে আবেদন কৰিব পাৰিব। আগ্ৰহীসকলে সাংস্কৃতিক সঞ্চালকালয়ৰ ৱেবচাইট www.directorculture.assam.gov.in আৰু www.silpisanmanassam.comত অনলাইন আবেদন কৰিব পাৰিব। অনলাইন আবেদন দাখিল কৰা অন্তিম দিন হৈছে ৩ নৱেম্বৰৰ।

০০০০০০

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে পহিলা অক্টোবৰত ‘১ তাৰিখ, এক ঘণ্টা, একেলগে’ উদ্যমৰ অংশ হিচাপে চলোৱা বৃহৎ চাফাই অভিযানৰ সময়ত দেশৰ ৯ লাখৰো অধিক স্থানত প্ৰায় ৮ কোটি ৭৫ লাখ লোকে অংশগ্ৰহণ কৰা আৰু শ্ৰমদান কৰা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ পোৱা মতে জনসাধাৰণৰ এই সমূহীয়া শ্ৰমদানৰ ফলত সকলো ঠাইতে পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে পহিলা অক্টোবৰত এই কাৰ্যসূচীৰ অধীনত পথ, ৰে’লপথ, স্বাস্থ্য প্ৰতিষ্ঠান, অংগনৱাড়ী কেন্দ্ৰ, পৰ্যটনস্থলী, আৱাসীক ক’লনি, জলাশয় আৰু উপাসনা স্থলীৰ চাফাই অভিযান চলোৱা হৈছিল। স্বচ্ছ ভাৰত অভিযানৰ ৯ বছৰত ভালেমান উপলক্ষ্যত এনে সমূহীয়া প্ৰচেষ্টা চলোৱা হৈছে।

oooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি সৰভোগৰ মেদা পঞ্চায়তত মোৰ মাটি মোৰ দেশ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে দুপৰীয়া পাটাছাৰকুছিত আয়োজিত এটা বিশেষ অনুষ্ঠানতো অংশ ল’ব। ইয়াৰ পাছত তেওঁ বিয়লি বৰপেটাৰোড ষ্টেডিয়ামত নীলকান্ত পাটোৱাৰী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল উদ্বোধন কৰিব।

oooooo

উত্তৰ ছিকিমৰ ল’নাক হ্ৰদৰ ওপৰত হোৱা আকস্মিক ডাৱৰ বিস্ফোৰণৰ ফলত লাচেন উপত্যকাৰ তৃষ্ণা নদীত ভয়ংকৰ বানৰ সৃষ্টি হৈছে। এই বানৰ ফলত অঞ্চলটোৰ সমীপৰ কেইবাটাও সেনা চাউনী বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। চুংথাং বান্ধৰ পৰা হঠাৎ পানী এৰি দিয়াৰ ফলত ইয়াৰ নামনি অঞ্চল ১৫-২০ ফুট পৰ্যন্ত জলমগ্ন হয়। চিংটামৰ ওচৰৰ বৰদাঙত ৰখাই থোৱা সেনাৰ কেইবাখনো বাহন পানীয়ে উটুৱাই নিয়াৰ ফলত ২৩ জন সেনা জোৱান সন্ধানহীন হৈ আছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিয়লি তেলেংগানাৰ নিজামাবাদত ৮ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে মনোহৰাবাদ আৰু ছিড্ডিপেটৰ মাজৰ নতুন ৰে’লপথছোৱাকে ধৰি কেইবাটাও ৰে’ল প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। তেওঁ লগতে ছহেজাৰ কোটি টকা ব্যয়ৰে ৰামগুণ্ডমত নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় তাপ বিদ্যুৎ নিগম এন টি পি চিৰ তেলেংগানা চুপাৰ তাপবিদ্যুৎ প্ৰকল্পৰ ৮০০ মেগাৱাট ক্ষমতা সম্পন্ন প্ৰথমটো গোট মুকলি কৰে। এই কেন্দ্ৰটোৰ জৰিয়তে উৎপাদিত মুঠ বিদ্যুতৰ ৮৫ শতাংশ কম খৰচত ৰাজ্যখনত ব্যৱহাৰ কৰা হ’ব। এই প্ৰকল্পই উত্তৰ আৰু দক্ষিণ গ্ৰীডৰ মাজৰ যোগাযোগ উন্নত কৰিব আৰু প্ৰত্যক্ষ তথা পৰোক্ষ কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, পেদাপল্লীৰ নতুন বিদ্যুৎ প্ৰকল্পটো দেশৰ অত্যাধুনিক প্ৰকল্পসমূহৰ অন্যতম আৰু দ্বিতীয় পৰ্যায়ত শীঘ্ৰেই আৰু এটা বিদ্যুৎ উৎপাদন গোট স্থাপন কৰা হ’ব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ছত্তিশগড়ৰ জনজাতীয় অধ্যুষিত বাষ্টাৰ সংমণ্ডলৰ মুখ্য কাৰ্যালয় জগদলপুৰত ২৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

oooooo

বিশ্ব চেম্পিয়ন তথা টকিঅ’ অলিম্পিকৰ ব্ৰঞ্জৰ পদক জয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আজি এছিয়ান গেমছৰ মহিলা বক্সিঙৰ ফাইনেলত চীনৰ লী কিয়ানৰ মুখামুখি হ’ব। কালি অনুষ্ঠিত ছেমিফাইনেলত লাভলীনাই থাইলেণ্ডৰ মানীকন বাইছনক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰিছিল। ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত লাভলীনা বৰগোহাঁয়ে ২০২৪ৰ পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে চীনৰ

লী কিয়ানক হৰুৱাই লাভলীনাই বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰিছিল। ইপিনে, এছিয়ান গেমছত ভাৰতৰ পদক জয়ৰ ধাৰা অব্যাহত আছে। ভাৰতে কালি প্ৰতিযোগিতাৰ দশম দিনা দুটা সোণ, দুটা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভেৰে পদক তালিকাৰ চতুৰ্থ স্থানত নাম অক্ষুণ্ণ ৰাখে। ১৬১ টা সোণ, ৯০ টা ৰূপ আৰু ৪৬ টা ব্ৰঞ্জৰে এই পৰ্যন্ত চীন পদক তালিকাৰ শীৰ্ষ স্থানত আছে। ৩৩ টা সোণ, ৪৭ টা ৰূপ আৰু ৫০ টা ব্ৰঞ্জৰে পদক তালিকাৰ দ্বিতীয় স্থানত আছে জাপান। একেদৰে ৩২ টা সোণ ৪২ টা ৰূপ আৰু ৬৫ টা ব্ৰঞ্জৰে দক্ষিণ কোৰিয়া তালিকাৰ তৃতীয় স্থানত আছে। আজি ভাৰতৰ নীৰজ চোপ্ৰাই পুৰুষৰ জেভলিন থ্ৰ'ত অংশগ্ৰহণ কৰিব। একেদৰে ভাৰতীয় মহিলাৰ দলে 4 X 4 মিটাৰ ৰীলেত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। পুৰুষৰ হকীত ভাৰতীয় দলটোৱে কোৰিয়াৰ বিৰুদ্ধে ছেমি ফাইনেলত মুখামুখি হ'ব। আৰ্চাৰী, বেডমিণ্টন, দবা, হকী আদি কেইবাটাও শিতানত আজি ভাৰতে পদক জয় কৰাৰ সম্ভাৱনা আছে।

ভাৰতৰ পাৰুল চৌধুৰীয়ে এথলেটিকছৰ মহিলাৰ পাঁচ হাজাৰ মিটাৰ দৌৰত ইতিমধ্যে সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ জেভলিন থ্ৰোত অনু ৰাণীয়ে সোণৰ পদক জয় কৰিছে। ইয়াৰ বিপৰীতে তেজস্বিন শংকৰে পুৰুষৰ ডেকাথলনত আৰু মহম্মদ আফজলে পুৰুষৰ ৮০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে। আনহাতে, মহিলাৰ ৪০০ মিটাৰ বাধাদৌৰত বিধ্যা ৰামৰাজে দেশৰ হকে ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বিপৰীতে অৰ্জুন সিং আৰু সুনীল সিং চালামে পুৰুষৰ এহেজাৰ মিটাৰ ডিঙা চালনাৰ ডাবলছত ব্ৰঞ্জৰ পদক হস্তগত কৰিছে।

oooooo

# **News Paper Review**

চীনত অনুষ্ঠিত হৈ থকা এছিয়ান গেমছৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত অসমৰ লাভলীনা বৰগোহাঁয়ে থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ লগতে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাৰ বাতৰিক আজি প্ৰকাশিত আটাইকেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অতি ক্ষুদ্ৰতম ছেকেণ্ডত পোহৰৰ স্পন্দন সৃষ্টিৰ সফল গৱেষণাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিয়েৰ আগষ্টিনি, জাৰ্মানীৰ ফেৰেঞ্চ ক্ৰাউছ আৰু ছুইডেনৰ এন লুইলীয়েৰক পদাৰ্থ বিজ্ঞানৰ সন্মানীয় ন'বেল বঁটা আগবঢ়োৱাৰ বাতৰিক দৈনিক অসম আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে আজি প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বাল্য বিবাহ সম্পূৰ্ণ কৰা বেআইনী স্বামীসকলৰ বিৰুদ্ধে অসম আৰক্ষীয়ে কালি ৰাজ্যজুৰি চলোৱা অভিযানৰ বাতৰিক অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমিকে প্ৰমুখ্য কৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Malpractice in recruitment exams : Ordinance passed শিৰোনামেৰে দ্য চেণ্টিনেল কাকতে নিযুক্তি প্ৰক্ৰিয়াৰ অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে কালি ৰাজ্যিক কেবিনেটে অসম ৰাজহুৱা পৰীক্ষা অধ্যাদেশ-২০২৩ত অনুমোদন জনোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নেপালত কালি হোৱা দুটাকৈ ভূমিকম্পত চুবুৰীয়া ৰাষ্ট্ৰখনৰ লগতে দিল্লী তথা অসমকো জোকাৰি যোৱাৰ বাতৰিক দি আছাম ট্ৰিবিউন আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সমাগত শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত গুৱাহাটী মহানগৰীত দুৰ্গা পূজা উদযাপনৰ সংক্ৰান্তত কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু দুৰ্গাপূজা সমিতিসমূহৰ মাজত কালি অনুষ্ঠিত বৈঠকৰ অন্তত কেতবোৰ নিৰ্দেশনা জাৰি কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

( সমাপ্ত )